# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-10-2026
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

১। প্ৰধানমন্ত্ৰীৰ ৰাজহুৱা সেৱাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো সেৱা জ্যোতি কলহ যাত্ৰা।
২। কৃষি ক্ষেত্ৰৰ সমস্যাসমূহৰ বুজ লোৱাৰ বাবে জিলা কৃষি বিষয়াসকলৰ সৈতে কৃষিমন্ত্ৰীৰ বৈঠক।
৩। ৰাজ্যত মাষ্টাৰৰোল কৰ্মচাৰীৰ নিযুক্তি নহ'ব বুলি বিত্ত বিভাগৰ নিৰ্দেশনা।

*আৰু*

৪। গুৱাহাটীত এছিয়ান গেমছত স্বৰ্ণজয়ী লাভলীনা বৰগোহাঁইক সম্বৰ্ধনা।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজহুৱা সেৱাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি দেশজুৰি ৰূপায়িত সেৱা সংকল্প অভিযানৰ অংশ হিচাপে ৰাজ্যজুৰি সেৱা জ্যোতি কলহ যাত্ৰা অনুষ্ঠিত হৈছে। এই যাত্ৰাৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সংসদীয় ৰাজনৈতিক জীৱনৰ এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটিক স্মৰণ কৰা হৈছে। এই যাত্ৰাত জ্যেষ্ঠ মহিলা কৰ্মী আৰু যুৱ সমাজে হাতে হাতে সেৱা জ্যোতি কলহ লৈ অংশগ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত বিকশিত ভাৰত সংকল্প সভাত অংশ লৈ প্ৰধানমন্ত্ৰীগৰাকীৰ এই ঐতিহাসিক যাত্ৰাক স্মৰণ কৰে। তেওঁ কয়, যে আজি আৰম্ভ কৰা সেৱা জ্যোতি কলহ যাত্ৰাই সেৱা সংকল্প আৰু বিকশিত ভাৰতৰ বাৰ্তা ৰাজ্যৰ প্ৰতিটো প্ৰান্তলৈ কঢ়িয়াই নিব। অসমৰ উন্নয়ন আৰু বিকাশৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীৰ সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীয়ে কৃতজ্ঞতা জ্ঞাপন কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি **ডিব্ৰুগড়** খনিকৰ খেলপথাৰত আয়োজিত বিকশিত ভাৰত সংকল্প সভা, সেৱা জ্যোতি কলহ যাত্ৰাত অংশগ্ৰহণ কৰে। এই উপলক্ষে তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ জনসেৱাৰ দীঘল পৰিক্ৰমাই ৰাষ্ট্ৰসেৱাৰ অনন্য অধ্যয়ৰ ৰূপ লৈছে।

*বাইট- সোণোৱাল*

উল্লেখযোগ্য যে **ডিব্ৰুগড়** জিলাৰ ছটা বিধানসভা সমষ্টি সামৰি আয়োজিত এই কাৰ্যসূচীত মন্ত্ৰী ৰামেশ্বৰ টেলী, বিমল বৰা কেইবাগৰাকী বিধায়ক আৰু দলীয় নেতাসকলে অংশ লয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজহুৱা সেৱা যাত্ৰাৰ উদযাপনৰ অংশ হিচাপে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ মৰিগাওঁ খণ্ডই আজি জিলাখনত প্ৰধানমন্ত্ৰী সূৰ্য্যঘৰ বিনামূলীয়া বিজুলী আঁচনিৰ বিষয়ে পাঁচোটাকৈ নাগৰিক সজাগতা শিবিৰৰ আয়োজন কৰে।

ইপিনে, **তেজপুৰৰ** চাৰ্চফিল্ডত আয়োজিত জ্যোতি কলহযাত্ৰাত মন্ত্ৰী অশোক সিংহল আৰু **শিৱসাগৰত** আয়োজিত অনুষ্ঠানত মন্ত্ৰী সুশান্ত বৰগোহাইয়ে অংশ লয়। অনুষ্ঠানত অংশ লৈ মন্ত্ৰী বৰগোহাইয়ে দিখৌ নৈৰ সমীপৰ মথাউৰি নথকা অঞ্চলসমূহত মথাউৰি নিৰ্মাণৰ বাবে ১১২ কোটি টকাৰ নিবিদা প্ৰক্ৰিয়া আৰম্ভ হৈছে বুলি জানিবলৈ দিয়ে। **শিলচৰৰ** পুলিচ পেৰেড গ্ৰাউণ্ডত আয়োজিত কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ভাষণ অনলাইন সম্প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত মন্ত্ৰী কৌশিক ৰায়, ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থকে

ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। **চৰাইদেউ** জিলাৰ সোণাৰীত ভগৰতীপ্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ পৰা আৰম্ভ হোৱা জ্যোতি কলহ যাত্ৰা কাৰ্যসূচীত ৰাজ্যসভাৰ সাংসদ যোগেন মহন, সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, মাহমৰাৰ বিধায়ক সুৰুজ দিহিঙিয়াকে ধৰি বহু লোকে অংশগ্ৰহণ কৰে। ইপিনে, **চিৰাঙৰ** কাজলগাঁৱত আয়োজিত কাৰ্যসূচীত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে অংশ লয়।

০০০০০

ৰাজ্যৰ জিলা কৃষি বিষয়াসকলৰ সৈতে আজি মন্ত্ৰী পীযুষ হাজৰিকাই অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত ৰাজ্যৰ কৃষিখণ্ডত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ আৰু চলি থকা কাম-কাজৰ অগ্ৰগতিৰ লগতে ক্ষেত্ৰ পৰ্যায়ৰ সমস্যাসমূহ বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। বৈঠকত মন্ত্ৰী হাজৰিকাই বিশেষকৈ কৃষক পঞ্জীয়নৰ বৰ্তমান স্থিতি, ক্ষেত্ৰ পৰ্যায়ত বিষয়াসকলে সন্মুখীন প্ৰত্যাহ্বান আৰু চৰকাৰী ভূমিত কৃষি কৰি থকা কৃষকসকলক পঞ্জীয়নৰ আওতালৈ অনাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বুজ লয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে  মিছন বসুন্ধৰা চতুৰ্থ পৰ্যায়ত খেতিয়কসকলক ভূমি অধিকাৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। এই ব্যৱস্থা সম্পূৰ্ণ নোহোৱালৈকে বন অধিকাৰ আইনৰ অধীনস্থ ভূমি আৰু চৰকাৰী ভূমিত কৃষিকাৰ্য কৰি থকা কৃষকসকলক পঞ্জীয়নৰ সুযোগ প্ৰদান কৰাৰ ওপৰত বিভাগে বিশেষ গুৰুত্ব আৰোপ কৰিব বুলিও উল্লেখ কৰে।

অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়তে আজি অনুষ্ঠিত অসম চি এছ আৰ ঘূৰণীয়া মেজমেলতো মন্ত্ৰী পীযুষ হাজৰিকাই অংশগ্ৰহণ কৰে। কৃষি, কৃষকৰ জীৱিকা আৰু বান তথা জলবায়ুজনিত প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত চৰকাৰ আৰু কৰ্পৰেট খণ্ডৰ যুটীয়া সহযোগিতাৰ গুৰুত্ব আলোচনা মূল উদ্দেশ্যে হিচাপে লৈ এই মেজমেল আয়োজন কৰা হৈছিল।

০০০০০

ৰাজ্যৰ কৃষি খণ্ডক অধিক শক্তিশালী, আধুনিক, জলবায়ু সহনশীল আৰু কৃষককেন্দ্ৰীক কৰি তোলাৰ উদ্দেশ্যে আজি গুৱাহাটীত ৰাজ্য চৰকাৰ আৰু আন্তঃৰাষ্ট্ৰীয় খাদ্যনীতি গৱেষণা প্ৰতিষ্ঠান আই এফ পি আৰ আইৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ হয়। কৃষি মন্ত্ৰী পীযুষ হাজৰিকাৰ উপস্থিতিত স্বাক্ষৰিত এই চুক্তিৰ জৰিয়তে কৃষি ৰূপান্তৰ, জলবায়ু পৰিৱৰ্তনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা, বানপানীৰ  সৈতে অভিযোজন, গ্ৰাম্য জীৱিকাৰ উন্নয়নকে ধৰি বিভিন্ন ক্ষেত্ৰত সহায় হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে অসমৰ ধান ভিত্তিক কৃষি ব্যৱস্থাৰ সম্প্ৰসাৰণৰ লগতে চাহ, উদ্যান শস্য, পশুপালন আৰু মীনপালন খণ্ডৰ উন্নয়নত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০

ৰাজ্যত এতিয়াৰে পৰা মাষ্টাৰৰোল কৰ্মচাৰীৰ নিযুক্তি নহ'ব। একেদৰে ফিক্সড পে অস্থায়ী কৰ্মচাৰীক নিযুক্তি দিয়া নহ'ব। ৰাজ্যিক মন্ত্ৰীসভাই যোৱা ২৪ ছেপ্তেম্বৰত এই সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্তমৰ্মে বিত্ত বিভাগে আজি বিভাগীয় নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি কোনো বিভাগে এইধৰণৰ প্ৰস্তাৱ প্ৰেৰণ কৰিব নোৱাৰিব।

০০০০০

গুৱাহাটীত পৰহিলৈ সামৰ্থ বৰ্ধন আয়োগৰ সাধনা শৃংখলা ২০২৬ ৰ দ্বিতীয়খন আঞ্চলিক কৰ্মশালা অনুষ্ঠিত হ'ব। এই কৰ্মশালাত ৮ খন ৰাজ্যৰ প্ৰতিনিধি আৰু বিভিন্ন পক্ষই অংশগ্ৰহণ কৰিব। কৰ্মশালাখনত প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ ৰূপান্তৰৰ লগতে অঞ্চলটোৰ সামৰ্থ বৰ্ধন সমস্যা শক্তিশালী কৰাৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কৰ্মশালাখন উদ্বোধন কৰিব। ৰাষ্ট্ৰীয় অসামৰিক সেৱা সামৰ্থ বৰ্ধন কাৰ্যসূচীৰ অংশ হিচাপে সামৰ্থ বৰ্ধন আয়োগে সাধনা শৃংখলাৰ আয়োজন কৰি আহিছে। এই ব্যৱস্থাৰ জৰিয়তে অসামৰিক সেৱাৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহক ৰাজহুৱা সেৱাৰ পৰিৱৰ্তিত সামৰ্থ আৰু দক্ষতাৰ আৱশ্যকতাৰ প্ৰতি ফলপ্ৰসূভাৱে সঁহাৰি জনাব পৰাকৈ গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে।

০০০০০

গুৱাহাটীত অসম ক্ৰীড়া বিভাগৰ উদ্যোগত তথা অসম এম এছ আৰ বক্সিং সন্থা আৰু অসম অলিম্পিক সন্থাৰ সহযোগত আয়োজিত বিশেষ অভিনন্দন অনুষ্ঠানত আজি জাপানৰ আইচি-নাগ'য়াত অনুষ্ঠিত ২০২৬ এছিয়ান গেমছৰ মহিলাৰ ৭৫ কেজি বক্সিং শাখাত  সোণৰ পদক অৰ্জন কৰি দেশ তথা ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই অনা অসমকণ্যা লাভলীনা বৰগোহাঁইক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত লাভলীনা বৰগোহাঁইক কেইবাটাও সংগঠনে সম্বৰ্ধনা জ্ঞাপন কৰে। এই অনুষ্ঠানত মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, দিছপুৰৰ বিধায়ক প্ৰদ্যুৎ বৰদলৈ, প্ৰকাশ দাসৰ লগতে অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ, প্ৰাক্তন বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, ৰাজ্যিক ক্ৰীড়া সঞ্চালক উপস্থিত থাকে। আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া মঞ্চত এই সোঁণোৱালী সাফল্যই অসমৰ প্ৰতিগৰাকী ক্ৰীড়াপ্ৰেমীৰ বাবে গৌৰৱৰ বিষয়। খেলুৱৈগৰাকীৰ এই অনন্য কৃতিত্বই অসমৰ যুৱ প্ৰজন্মক সপোন দেখিবলৈ, কঠোৰ পৰিশ্ৰম কৰিবলৈ আৰু সাফল্যৰ নতুন শিখৰ স্পৰ্শ কৰিবলৈ অনুপ্ৰাণিত কৰিব বুলি মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে উল্লেখ কৰে। অনুষ্ঠানত লাভলীনা বৰগোহাঁইয়ে নিজৰ অভিজ্ঞতা সন্দৰ্ভত তেওঁ এইদৰে কয়।

***বাইট - লাভলীনা***

০০০০০

ৰাজ্য চৰকাৰে শ্ৰেণীকোঠাৰ পৰিধি ভেদি শিক্ষাৰ সংহত আৰু আধুনিক পৰিবেশ গঢ়াৰ বাবে দৃঢ় পদক্ষেপ লৈছে। ৰাজ্যত এহেজাৰখন বিদ্যালয় পুনৰ্নিৰ্মাণ আৰু নিৰ্মাণৰ কাম চলি আছে। ইয়াৰ উপৰি এহেজাৰ ২০০ খন বিদ্যালয়ক উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০

**সমাপ্ত**